# প্ৰধানমন্ত্ৰীৰ সপোন ডিজিটেল ভাৰতবৰ্ষ




## ১০০ শতাংশ স্বচ্ছতাৰে আবকাৰীয়ে কৰিছে দিঠক

Excise Online

NEW USER SIGNUP

LICENSEE LOGIN | OFFICER'S LOGIN

অসম চৰকাৰ
GOVERNMENT OF ASSAM

Excise Department

Contact Us

www.assamexcise.in

*Site Designed & Hosted by -* AMTRON

অসম চৰকাৰ

GOVERNMENT OF ASSAM

MAKE IN INDIA

my GOV मेरी सरकार

PMNRF
PRIME MINISTER'S National Relief Fund

india.gov.in
National Portal of India

स्वच्छ भारत
एक कदम स्वच्छता की ओर

Digital India
Power To Empower

PMINDIA

tokapoisa

LICENSEE LOGIN

OFFICER LOGIN

USER FAQs

NEW SIGN UP



+0361-2234395 (O) 2234393 (Fax)

excise.com@assam.gov.in

News Launch of Excise Online

Excise Online



# Department of Excise, Assam

www.assamexcise.in

## ২০১৬-১৭ বিত্তীয় বৰ্ষত আবকাৰী বিভাগত পৰিৱৰ্তনৰ খতিয়ান

- পুৰণিকলীয়া চিন্তাধাৰাৰে অসমৰ আবকাৰী বিভাগটো বহু বছৰ ধৰি চলি আছিল। গতিকে, মান্ধাতাযুগীয়া 'অসম আবকাৰী আইন ১৯১০'ৰ পৰিৱৰ্তে 'অসম আবকাৰী আইন ২০০০'ৰ প্ৰচলনৰ ব্যৱস্থা কৰা হ'ল। লগতে ২০১৬ৰ ১ ছেপ্টেম্বৰৰ পৰা পূৰ্বৰ আঁসোৱাহপূৰ্ণ 'অসম আবকাৰী বিধি ১৯৪৫'ৰ পৰিৱৰ্তে ৰাজ্যত প্ৰচলন কৰা হয় 'অসম আবকাৰী বিধি ২০১৬'।

- ২০১৬-১৭ বিত্তীয় বৰ্ষত প্ৰায় ২১ শতাংশ ৰাজহ বৃদ্ধি হৈছে। বিত্তীয় বৰ্ষটোত আবকাৰী ৰাজহ সংগ্ৰহ হয় প্ৰায় ৯৭০ কোটি টকা। পূৰ্বে এই পৰিমাণ আছিল প্ৰায় ৭৯৯ কোটি টকা। ২০১৬-১৭ বিত্তীয় বৰ্ষটোত গুৱাহাটী উচ্চ ন্যায়ালয়ত চলা গোচৰৰ ফলত ৰাজ্যৰ বিভিন্ন স্থানত প্ৰায় ৩৫০খন খুচৰা **বিক্ৰেতাৰ** দোকান তিনিমাহ ধৰি বন্ধ হৈ থকাৰ পাছতো এই ৰাজহ বৃদ্ধি হোৱাটো **লক্ষ্যণীয়। উল্লেখনীয় যে মাননীয় উচ্চ তম ন্যায়ালয়ৰ নিৰ্দেশৰ ফলত বহু সংখ্যক খুচুৰা অনুজ্ঞাপত্ৰধাৰী নৱীকৰণ মাচুল গ্ৰহণ কৰিব নোৱাৰাৰ ফলত প্ৰায় ৪০ (চল্লিশ) কোটি টকা ৰাজহ হেৰুৱাব লগা হয়।**

- পূৰ্বৰ ২০১৫-১৬ বিত্তীয় বৰ্ষত আবকাৰী শুল্ক ৭০ শতাংশ বৃদ্ধি হোৱাৰ বিপৰীতে ২০১৬-১৭ বিত্তীয় বৰ্ষত কোনোধৰণৰ আবকাৰী শুল্ক বৃদ্ধি কৰা হোৱা নাই। তাৰ পৰিৱৰ্তে খুচৰা আৰু পাইকাৰী অনুজ্ঞাপত্ৰৰ নবীকৰণ মাচুল হ্ৰাস কৰাহে হৈছে। যাৰ জৰিয়তে থলুৱা যুৱক আৰু ব্যৱসায়ীয়ে এতিয়া যথেষ্ট সকাহ পাইছে।

- অনুজ্ঞাপত্ৰ নবীকৰণৰ মাচুল খুচৰা বিক্ৰেতাৰ ক্ষেত্ৰত ৩ লাখ টকাৰ পৰা ১ লাখ টকালৈ হ্ৰাস কৰা হয়। তেনেদৰে, পাইকাৰী বিক্ৰেতাৰ ক্ষেত্ৰত অনুজ্ঞাপত্ৰ নবীকৰণৰ মাচুল ৩০ লাখ টকাৰ পৰা ৫ লাখ টকালৈ হ্ৰাস হয়। উল্লেখ্য, ২০১৫-১৬ বিত্তীয় বৰ্ষত অনুজ্ঞাপত্ৰ নবীকৰণ মাচুল ৫০০ শতাংশলৈকে বৃদ্ধি কৰা হৈছিল। যিটোৱে স্থানীয় নিবনুৱা যুৱকৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰিছিল।

● ২০ ফেব্ৰুৱাৰী ২০১৭ৰ পৰা ৰাজ্যত নতুন দেশীয় সুৰানীতি প্ৰৱৰ্তন কৰা হয়। কৰ ফাঁকি আৰু দুৰ্নীতি ৰোধৰ বাবে ৰাজ্য চৰকাৰৰ বাজেট **বক্তব্যত** কৰা ঘোষণা কাৰ্যকৰী কৰাৰ ফলত পুৰণিকলীয়া আৰু **আঁসোৱাহযুক্ত** মহল ব্যৱস্থা বৰ্তমান বিলোপ হৈছে। অসমত দেশীয় সুৰাৰ উৎপাদন আৰু বিতৰণ পদ্ধতি বিজ্ঞানসন্মত কৰাৰ লগতে সমুদায় প্ৰক্ৰিয়াটোৰ মানদণ্ড ভাৰতত নিৰ্মিত বিদেশী সুৰাৰ সমকক্ষ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ বাজেট ঘোষণাই বাস্তৱৰূপ **পাইছে**। দেশীয় সুৰা বজাৰখন স্বচ্ছ, নিকা, আধুনিক আৰু বিজ্ঞানসন্মতভাৱে গঢ়াৰ বাবে এই ঐতিহাসিক পদক্ষেপ। নতুন দেশীয় সুৰানীতিৰ জৰিয়তে অধিক হাৰত ৰাজহ সংগ্ৰহেই নহয়, স্বাস্থ্যসন্মত সমাজ গঢ়াতো সহায়ক হ'ব। আনহাতে; স্থানীয় নিবনুৱা যুৱকৰ সংস্থাপনৰ প্ৰতি লক্ষ্য ৰাখি দেশীয় সুৰাৰ খুচৰা অনুজ্ঞা মাত্ৰ ১০,০০০ টকাতে পাব পৰাৰ ব্যৱস্থা কৰা হৈছে।

● দুৰ্নীতি, অনিয়ম আদিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ, কৰফাঁকি দিয়া বণ্ডেড ৱেৰহাউছক বিহা হয় জৰিমণাৰ লগতে বাতিল কৰা হৈছে অনুজ্ঞাপত্ৰ। গুৱাহাটী, কাৰ্বি আংলঙ, শোণিতপুৰকে ধৰি বিভিন্ন ঠাইত কেইবা কোটি মূল্যৰ অবৈধ সুৰা জব্দ।

● বিভিন্ন আবকাৰী অনিয়ম বা অপৰাধ ৰোধ কৰা, ৰাজহ ফাঁকি বাধা দিয়াৰ বাবে জামিনবিহীন আইন প্ৰৱৰ্তনৰ পোষকতা কৰা হৈছে। তাৰ বাবে ইতিমধ্যে যাৱতীয় বিভাগীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

● আওপুৰণি ব্যৱস্থাৰ পৰিৱৰ্তে আধুনিক তথ্য-প্ৰযুক্তিৰ সহায়ত স্বচ্ছতা আৰু গতিশীলতা আনি দুৰ্নীতি নিৰ্মূলৰ চেষ্টা। আবকাৰী বিভাগত এতিয়া 'ই পেমেণ্ট', অনলাইন ৰেজিষ্ট্ৰেছন, সকলোধৰণৰ আবেদনপত্ৰ অনলাইনযোগে লোৱাৰ ব্যৱস্থা কৰা হৈছে। আবকাৰী শুল্ক সংগ্ৰহৰ পৰা মাচুল নবীকৰণ, আবেদনপত্ৰ গ্ৰহণলৈকে গোটেই ব্যৱস্থাটো অনলাইন কৰি 'ই গভৰ্নেন্স'ৰ ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবে 'এমট্ৰন'ৰ লগত কম ব্যয়সাপেক্ষে

এক চুক্তি স্বাক্ষৰ কৰা হয়। এই অনলাইন ব্যৱস্থাৰ জৰিয়তে আবকাৰী বিভাগত দুৰ্নীতি বন্ধ হোৱাৰ লগতে কৰ্মপ্ৰণালীত স্বচ্ছতা, গতিশীলতা আহিব। লগতে ৰাজহ সংগ্ৰহৰ সঠিক লক্ষ্যত উপনীত হ'ব পৰা যাব।

● 'আন্তঃগাঁথনিৰ দিশত আবকাৰী বিভাগত লক্ষ্যণীয়ভাৱে উন্নতি কৰা হৈছে। আবকাৰী বিষয়াসকলক অধিক কৰ্মদক্ষ কৰি তোলাৰ বাবে তেওঁলোকক ৮২ খন বাহন প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। অসম চৰকাৰৰ বিত্ত বিভাগৰ দ্বাৰা পোন প্ৰথমবাৰৰ বাবে এইদৰে অভিলেখসংখ্যক বাহন দিয়া হৈছে আবকাৰী বিভাগত।

● 'অসমৰ পৰম্পৰাগত জনজাতীয় পানীয়ৰ বাণিজ্যিকৰণৰ বাবে প্ৰস্তুত কৰা বিধিত ইতিমধ্যে ৰাজ্যিক কেবিনেটে দিছে অনুমোদন। পৰ্যটনৰ বিকাশৰ বাবে পৰম্পৰাগত জনজাতীয় পানীয়ৰ বিকাশ সাধি 'অনুপম' (EXOTIC) হিচাপে গঢ়ি তোলা হ'ব। পৰম্পৰাগত পানীয় প্ৰস্তুত পদ্ধতিত মহিলাসকল জড়িত থকাৰ ফলত এই উদ্যোগৰ জৰিয়তে মহিলা সবলীকৰণৰো আশা আছে।

● নতুন আবকাৰী বিধিৰ প্ৰৱৰ্তনক লৈ **প্ৰতিক্ৰিয়াশীল চক্ৰই** কৰা সমালোচনাৰ বিপৰীতে বাস্তৱ সত্যটো হ'ল, অসমত সুৰাপানৰ হাৰ ১০ শতাংশ হ্ৰাস হোৱা সত্বেও কোনো ধৰণৰ আবকাৰী শুল্ক নবঢ়োৱাকৈ ৰাজহ সংগ্ৰহ বৃদ্ধি পাইছে। এয়া সম্ভৱ হৈছে, কেৱল চৰকাৰৰ আপোচবিহীন দুৰ্নীতিবিৰোধী স্থিতিৰ বাবে। চৰকাৰৰ এনে দুৰ্নীতিবিৰোধী স্থিতিৰ বাবে এতিয়ালৈকে বহু কেইজন বিষয়া গ্ৰেপ্তাৰ হোৱাৰ লগতে বিভাগীয় শাস্তিৰ সমুখীন হৈছে। ৰাজহ ফাঁকি দিয়া ব্যৱসায়ীৰ বিৰুদ্ধেও কঠোৰ আইনী ব্যৱস্থা লোৱা হৈছে।

● কৰৰ পৰিমাণ নিধাৰণ আদিৰ ক্ষেত্ৰত পৰামৰ্শ দিবৰ বাবে বিত্ত বিভাগে গঠন কৰা শ্ৰী আৰ টি জিন্দাল সমিতিয়ে দাখিল কৰা সংস্কাৰমূলক প্ৰতিবেদনৰ আধাৰত চৰকাৰে আবকাৰী বিভাগত বিভিন্ন সংস্কাৰমূলক পদক্ষেপ লৈছে। যাৰ জৰিয়তে কৰফাঁকি ৰোধ হোৱাৰ লগতে ৰাজহ সংগ্ৰহৰ প্ৰৱণতা বৃদ্ধি পাইছে।

✤✤✤✤✤✤✤✤✤✤✤✤✤✤✤✤

# আবকাৰী বিভাগৰ বলিষ্ঠ আৰু ঐতিহাসিক পদক্ষেপ

## পৰম্পৰাগত জনজাতীয় পানীয়ৰ বাণিজ্যিকৰণ আৰু আইনী মান্যতা

ৰাজ্যৰ আবকাৰী বিভাগৰ আন এক ঐতিহাসিক পদক্ষেপ। মাননীয় মুখ্যমন্ত্ৰী, শ্ৰীযুত সৰ্বানন্দ সোণোৱালৰ প্ৰতিশ্ৰুতি আৰু মাননীয় বিত্ত মন্ত্ৰী, ড০ হিমন্ত বিশ্ব শৰ্মাৰ বাজেট ঘোষণাৰ আধাৰত, মাননীয় আবকাৰী মন্ত্ৰী, শ্ৰীযুত পৰিমল শুক্লবৈদ্যৰ বলিষ্ঠ পদক্ষেপত ৰাজ্যত কাৰ্যকৰী হ'ল পৰম্পৰাগত জনজাতীয় পানীয়ৰ আইনী মান্যতা সম্পৰ্কীয় নতুন বিধি। সাতামপুৰুষীয়া কৃষ্টি-পৰম্পৰা ৰক্ষাৰ মাজেৰে অসমৰ গ্ৰামাঞ্চলসমূহৰ জনজাতীয় সমাজৰ অৰ্থনীতিৰ ভেটি সৱলীকৰণৰ দিশত আধুনিক চিন্তাচৰ্চাৰে আবকাৰী বিভাগৰ এই নতুন পদক্ষেপ।

অসমৰ পৰম্পৰাগত জনজাতীয় পানীয়ৰ বাণিজ্যিকৰণত বৈধতা প্ৰদানৰ বাবে প্ৰস্তুত কৰা বিধিত ৰাজ্যিক কেবিনেটৰ অনুমোদনৰ পাছত ৬ মে' ২০১৭ ত জাৰি হ'ল অধিসূচনা। ৰাজ্যখনৰ বিভিন্ন জনজাতিসমূহৰ মাজত প্ৰচলিত পৰম্পৰাগত পানীয়ৰ বিকাশ, উন্নয়নৰ গতি ত্বৰান্বিত হ'ব বিভাগটোৰ এই সুদূৰপ্ৰসাৰী পদক্ষেপৰ পাছত। জনজাতিপ্ৰধান অঞ্চলত প্ৰচলিত পৰম্পৰাগত পানীয় প্ৰস্তুত পদ্ধতিত সাধাৰণতে যিহেতু মহিলাসকল জড়িত থাকে, সেয়ে এই উদ্যোগৰ জৰিয়তে মহিলা সবলীকৰণৰো আশা আছে।

মাননীয় বিত্ত মন্ত্ৰী, ড০ হিমন্ত বিশ্ব শৰ্মাৰ বাজেট ঘোষণাত কোৱা হৈছিল যে, ৰাজ্যত পৰ্যটনৰ বিকাশৰ বাবে পৰম্পৰাগত জনজাতীয় পানীয়ৰ বিকাশ সাধি 'অনুপম' (EXOTIC) হিচাপে গঢ়ি তোলা হ'ব। এই বাজেট ঘোষণা অনুসৰি ৰাজ্য চৰকাৰে এতিয়া থলুৱা পৰম্পৰাগত পানীয়ৰ বিকাশ তথা বাণিজ্যিকৰণৰ বাবে 'অসম আবকাৰী বিধি ২০১৬'ত কেতবোৰ গুৰুত্বপূৰ্ণ সংশোধনী আনিছে। আবকাৰী বিধি ৬১৮ক ৬৪০ হিচাপে পুনৰসংখ্যাকৰণ কৰাৰ লগতে প্ৰধানবিধিত 'বিধি নং ৬১৭'ৰ পিছত আৰু 'বিধি নং ৬৪০'ৰ আগত Part –IX, Heritage Alcoholic Beverages নামেৰে এটা নতুন অধ্যায় সংযোজিত হৈছে।

পুৰণিকলীয়া দৃষ্টিভংগীৰে বছৰ বছৰ ধৰি চলি থকা আবকাৰী বিভাগত আমূল সংস্কাৰ অনাৰ বাবে বিভাগীয় মন্ত্ৰী শ্ৰীযুত পৰিমল শুক্লবৈদ্যৰ অবিৰত প্ৰচেষ্টাৰ ফলস্বৰূপে গৃহিত হোৱা এই বিধিৰ জৰিয়তে অসমত অতি পুৰণিদিনৰ পৰা প্ৰচলিত পৰম্পৰাগত পানীয়ৰ বাণিজ্যিকৰণত বৈধতা প্ৰদানৰ জৰিয়তে এই পানীয়ৰ উন্নত মানদণ্ড সুনিশ্চিত কৰাৰ চেষ্টা কৰা হৈছে। অসমৰ এই জনজাতীয় তথা পৰম্পৰাগত পানীয় বিশ দৰবাৰলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰতো ইয়াৰ বাণিজ্যিক সম্ভাৱনা আছে।

উল্লেখনীয় যে, এনে পৰম্পৰাগত জনজাতীয় পানীয় প্ৰস্তুতকৰণৰ বিধি অনুসৰি, ইয়াত সুৰাৰ মাত্ৰা যথেষ্ট কম (১২ শতাংশ) ৰখা হৈছে। স্বাস্থ্যৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি এই ব্যৱস্থা। অন্যহাতে,

স্থানীয় নিবনুৱা জনজাতীয় যুৱকসকল জড়িত হ'ব পৰাকৈ, এইবিধিৰ জৰিয়তে পৰম্পৰাগত জনজাতীয় পানীয়ৰ ক্ষেত্ৰত ল'বলগীয়া অনুজ্ঞাপত্ৰৰ মাচুলসমূহো ফেক্টৰী অনুজ্ঞাপত্ৰৰ ক্ষেত্ৰত ২৫ হাজাৰ টকা, পাইকাৰী অনুজ্ঞাপত্ৰৰ ক্ষেত্ৰত ১৫ হাজাৰ টকা, ক্ষুদ্ৰ উৎপাদন গোট (microbrewery) অনুজ্ঞাপত্ৰৰ ক্ষেত্ৰত ১০ হাজাৰ টকা আৰু খুচুৰা বিক্ৰেতাৰ অনুজ্ঞাপত্ৰৰ ক্ষেত্ৰত ৫ হাজাৰ টকা ধাৰ্য কৰা হৈছে। এই পানীয়ৰ গুণগত মানদণ্ড সুনিশ্চিত কৰিবলৈ পৰীক্ষাগাৰৰ বিশেষণ বাধ্যতামূলক কৰা হৈছে। প্ৰত্যেকটো জনজাতিৰ পৰম্পৰাগত পানীয় প্ৰস্তুতিৰ প্ৰচলিত ধাৰাটোৰ মতে, প্ৰয়োজন হোৱা বাখৰ (starter cake)ৰ উপাদান আৰু বৈশিষ্ট অক্ষুণ্ণ ৰাখিবলৈ চেষ্টা কৰা হৈছে। এইক্ষেত্ৰত বিশেষভাৱে উল্লেখনীয় যে, পৰম্পৰাগত পানীয়ৰ প্ৰচলন থকা উক্ত সংশিষ্ট জনজাতিৰ মহিলাসকলৰ দ্বাৰা গঠিত আত্মসহায়ক গোটৰ পৰা বাখৰ (starter cake) সমূহ ক্ৰয় কৰাৰ বিধি প্ৰস্তুত হৈছে।

**শৈলেন্দ্ৰ পাণ্ডে**

**জনসম্পৰ্কৰক্ষী বিষয়া,**

**আবকাৰী আয়ুক্তালয়, অসম**

..............................